জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৬৯/২০২০

# মুখ্যমন্ত্ৰীয়ে মাজুলীত উদ্বোধন কৰিলে ৩৩/১১ কেভি বিদ্যুৎ উপকেন্দ্ৰ

**দিছপুৰ, ৫ অক্টোবৰ ঃ** মাজুলীৰ অবিৰত বিদ্যুৎ সেৱা প্ৰদানৰ দিশত এক শক্তিশালী পদক্ষেপৰ অংশ হিচাপে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ দ্বাৰা 'দীনদয়াল উপাধ্যায়ৰ গ্ৰামজ্যোতি যোজনা'ৰ অধীনত বনগাঁৱত নিৰ্মিত ৩৩/১১ কিলো ভল্ট শক্তিসম্পন্ন বিদ্যুৎ উপকেন্দ্ৰৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে। এই উপকেন্দ্ৰটোৱে মাজুলীৰ বিদ্যুৎ প্ৰৱহনৰ সমস্যা সমাধানৰ লগতে প্ৰায় ৭ হাজাৰ উপভোক্তাক উপকৃত কৰিব। বিদ্যুতৰ ঘৰুৱা চাহিদা পূৰণৰ উপৰি ক্ষুদ্ৰ উদ্যোগ, কাৰখানাৰ বাবেও এই উপকেন্দ্ৰটোৱে অবিৰত বিদ্যুৎ যোগানৰ চাহিদা পূৰণ কৰিব। উল্লেখ্য যে ৬.৭৭ কোটি টকা ব্যয় সাপেক্ষে এই উপকেন্দ্ৰটো নিৰ্মাণ কৰা হৈছে।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মাজুলীৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপক আৰু এখোজ আগলৈ নিয়াৰ ক্ষেত্ৰত এই উপকেন্দ্ৰটোৱে সহায় কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে শক্তি বিভাগে মাজুলীৰ বিদ্যুৎ সেৱা অধিক উন্নত কৰাৰ লক্ষ্যৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। মাজুলীৰ প্ৰতিটো পৰিয়াল যাতে বিজুলিপাতিৰ পোহৰেৰে আলোকিত হয়, সেই লক্ষ্যত উপনীত হোৱাৰ দিশত এই প্ৰকল্পটোৱে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰিব। তেওঁ লগতে কয় যে শক্তিখণ্ডত যিমান কাম হৈছে সেই সকলোবোৰে জনগণক স্পৰ্শ কৰিছে আৰু আগন্তুক দিনতো বাকী থকা সকলো সুবিধা ৰাইজে শীঘ্ৰেই লাভ কৰিব। মাজুলী আধ্যাত্মিক আৰু সাংস্কৃতিকভাৱে শক্তিশালী বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৩৩/১১ কেভি উপকেন্দ্ৰটোৱে জিলাখনৰ বিদ্যুৎ যোগানৰ ক্ষেত্ৰত থকা প্ৰতিবন্ধকতা আঁতৰাই প্ৰয়োজনীয় বিদ্যুৎ যোগান ব্যৱস্থাটো সুচল কৰি তুলিব। তেওঁ লগতে কয় যে মাজুলী প্ৰাকৃতিক সম্পদত অতিশয় চহকী। বৰ্তমানৰ ৰাজ্য চৰকাৰে মাজুলীক এখন শীৰ্ষ পৰ্যায়ৰ জিলা হিচাপে গঢ়ি তোলাৰ বাবে বিস্তৃত পৰিকল্পনা প্ৰস্তুত কৰিছে। তেওঁ কয় যে ৰাজ্য চৰকাৰে মাজুলীত এটা সৌৰশক্তি প্ৰকল্প স্থাপন কৰিব। আত্মনিৰ্ভৰ অসম নিৰ্মাণৰ ক্ষেত্ৰত মাজুলীয়ে যাতে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে মাজুলীৰ উন্নয়নৰ বাবে বিভিন্ন পদক্ষেপ হাতত লৈছে। এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে মাজুলীবাসীৰ সহযোগিতা কামনা কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আত্মনিৰ্ভৰ ভাৰতবৰ্ষ গঢ়াৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই ৰাজ্য চৰকাৰেও আত্মনিৰ্ভৰ অসম গঢ়াৰ লক্ষ্যৰে ইতিমধ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। কৃষি আৰু ইয়াৰ আনুসংগিক খণ্ডসমূহত মাজুলীয়ে উল্লেখযোগ্য বৰঙনি যোগাই ৰাজ্যখনক আত্মনিৰ্ভৰ ৰাজ্য হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত বৰঙনি আগবঢ়াব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত এপিজিচিল, এপিডিচিএল, এইজিচিএলৰ অধ্যক্ষ বিনোদ কুমাৰ পিপাৰচেনীয়া, এপিডিচিএলৰ পৰিচালন সঞ্চালক ৰাকেশ আগৰৱালা, এপিজিচিএলৰ পৰিচালন সঞ্চালক কল্যাণী বৰুৱাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত দুলীয়াজান-নুমলীগড় পাইপলাইনৰ অধ্যক্ষ ৰূপম গোস্বামী, দেউৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মাধৱ দেউৰী, জিলা উপায়ুক্ত বিক্ৰম কৈৰী প্ৰমুখ্যে অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**৫/১০/২০২০**